৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

ভাদ, ১৯৪৭ শক ■ সোমবাৰ, ১৫ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, September 15, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

মঙলদৈ

দেশ



ৰে প্ৰচেষ্ট

## 'নক্ষত্ৰ'ৰ চিত্ৰাংকণ প্ৰতিযোগিতা

ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰঃ 'নক্ষত্ৰ — A journey of light'ৰ উদ্যোগত অনুষ্ঠিত হ'ব 'চিত্ৰাংকণ ১.০— সদৌ অসম চিত্ৰাংকণ প্ৰতিযোগিতা', য'ত অসমৰ প্ৰতিভাৱান শিশুসকল আৰু যুৱক-যুৱতীসকলে নিজৰ সৃষ্টিশীলতা প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰিব আৰু জিকিব পাৰিব ২,৫০,০০০ টকাৰো অধিক মূল্যৰ বহুমূলীয়া উপহাৰ। ১২ অক্টোবৰৰ পুৱা ১০ বজাৰ পৰা ১২ বজালৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় মডেল স্কুল, ৰূপনগৰ জাতীয় বিদ্যালয়, দুৱৰা চুবত অফলাইন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াত নামভৰ্তিৰ অন্তিম তাৰিখ ৪ অক্টোবৰ, ২০২৫। অফলাইন প্ৰতিযোগিতাৰ শ্ৰেণীবিভাজন হ'ল এনেধৰণৰ— শ্ৰেণী-১ত কৈ তলৰ (পাতৰ লগত ফুল, মাচুল-৯৯ টকা), শ্ৰেণী ঃ ১-৪ (সূৰ্যোদয়ৰ দৃশ্য, মাচুল-১৪৯), শ্ৰেণী ঃ ৫-৮ (প্ৰাকৃতিক দুৰ্যোগ, মাচুল-১৯৯), আৰু শ্ৰেণী ঃ ৯-১২ (প্ৰকৃতি আৰু নগৰ সভ্যতা, মাচুল-১৯৯)। অংশগ্ৰহণকাৰীয়ে নিজৰ বিদ্যালয়/কলেজৰ পৰিচয়-পত্ৰ লগত লৈ আহিব লাগিব। ইয়াৰ লগতে অনলাইন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছে, য'ত ছবি জমা দিয়াৰ অন্তিম তাৰিখ ৫ অক্টোবৰ, ২০২৫। ইয়াৰ শ্ৰেণীবিভাজন হ'ল এনেধৰণৰ— বয়স ৫-১৭ বছৰ (অসমৰ গ্ৰামীণ সমাজ, মাচুল-৯৯) আৰু বয়স ১৮-২৫ বছৰ (অসমৰ জীৱনধাৰা আৰু ব্ৰহ্মপুত্ৰ, মাচুল-৯৯)। অফলাইন আৰু অনলাইন দুয়োটা বিভাগতে প্ৰতিটো শ্ৰেণীত ৫টাকৈ উৎসাহজনক সান্ত্বনা বঁটা থাকিব। অধিক তথ্য আৰু অংশগ্ৰহণৰ বাবে যোগাযোগ কৰকঃ ৯৩৯৫৬-৮৩৯৩২, ৬০০৯০-০৩২২৮, ৬০০৩০-১৭০৫৩, ৮৬৩৮৩-৩৪০০১, ৭০৯৯৪-২৮৬১০, ৯৮৬৩৬-৬৬১৭১, ৯৬৭৮৮-৮৬৫০০, ৮৭৬১৮-৬৬৮০৪।

## মাধৱদেৱৰ তিথি উপলক্ষে কানৈ কলেজত বক্তৃতানুষ্ঠান

ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ আজি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অসমীয়া বিভাগৰ উদ্যোগত এটি মনোজ্ঞ বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক টিকেন্দ্ৰজিৎ গগৈ। ড০ মন্ত্ৰী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শিখামণি কোচ দেউৰীয়ে। লগতে অসমীয়া বিভাগৰ অধ্যাপক ড০ মৃদুল শৰ্মাই সমল ব্যক্তিগৰাকীৰ পৰিচয় উল্লেখ কৰে। অনুষ্ঠানটিত আদৰণী ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া। তেওঁ শ্ৰীশ্ৰী মাধৱদেৱৰ অসমীয়া সাহিত্য-সংস্কৃতিলৈ থকা অৱদান সম্পৰ্কে মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানটিত 'শ্ৰীশ্ৰী মাধৱদেৱৰ নামঘোষাঃ এজন ৰসগ্ৰাহী পাঠকৰ দৃষ্টিৰে' শীৰ্ষক বিষয়টিৰ সম্পৰ্কে সমল ব্যক্তি টিকেন্দ্ৰজিৎ গগৈয়ে সময়োপযোগী সাৰুৱা মন্তব্য আগবঢ়ায়। তেখেতে অসমীয়া সমাজত শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদান সম্পৰ্কে উল্লেখ কৰি গুৰুজনাৰ অন্যতম সৃষ্টি নামঘোষাৰ বিবিধ দিশ— খোল, বাদ্য সহিতে আলোকপাত কৰে। মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ লগতে অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠানটি সুচাৰুৰূপে সম্পন্ন হৈ যায়। এই অনুষ্ঠানতে শ্ৰীশ্ৰী শংকৰদেৱ তিথি উপলক্ষে মহাবিদ্যালয়খনৰ অসমীয়া আৰু সমাজতত্ত্ব বিভাগে আয়োজন কৰা ৰচনা প্ৰতিযোগিতাৰো বঁটা-বিতৰণী সম্পন্ন হৈ যায়। ড০ মনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিৰ শলাগৰ শৰাই আগবঢ়াই ড০ মৃদুল শৰ্মাই। আকৰ্ষণীয় আৰু নতুন তথ্য উদ্‌ঘাটনেৰে শ্ৰীশ্ৰী মাধৱদেৱৰ সাহিত্য প্ৰতিভাক সোঁৱৰণ কৰি মনোজ্ঞ বক্তৃতানুষ্ঠানৰ অন্ত পৰে।

আঞ্চলিকৰ সম্পাদক লক্ষ্যজিৎ গগৈয়ে উদ্দেশ্য ব্যাখ্যা ক
সভাত সভাপতিত্ব কৰে আঞ্চলিকৰ সভাপতি অভিজি
ফুকনে। সভাত আটাছুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপ
অচ্যুত ফুকন, সাধাৰণ সম্পাদক ৰূপম গগৈ, প্ৰচাৰ সম্পা
ৰাকেশ ফুকন, ডিব্ৰুগড় জিলা পূৰ্বাঞ্চল টাই সাহিত্য স
সভাপতি দূৰ্গা বৰগোহাঁই বিশেষ আমন্ত্ৰিত অতিথি হিচা
উপস্থিত থাকি আটাছুৰ সাংগঠনিক দিশৰ লগতে নিৰ
তথা অৰ্থনৈতিক সমস্যা আৰু টেঙাখাতত সিঁচৰতি হৈ থ
আহোম যুগৰ কীৰ্তিচিহ্নসমূহৰ ৰক্ষণাবেক্ষণৰ ওপ
আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। আটাছুৰ টেঙাখ
আঞ্চলিকৰ সমূহ সদস্য উপস্থিত থকা এই সভাতে প
সমিতিখন ভংগ কৰি আগন্তুক কাৰ্যকালৰ বাবে সৰ্বসন্মতি
ধ্ৰুৱজ্যোতি ফুকনক সভাপতি, লক্ষ্যজ্যোতি গগৈক কাৰ্য
সভাপতি, শান্তনু গগৈক উপ-সভাপতি, বিপ্লৱজ্যোতি সন্দি
আৰু কমল সন্দিকৈক যুটীয়া সম্পাদকৰ লগতে অনান্যসক
বিভিন্ন বিভাগত অন্তৰ্ভুক্ত কৰি আটাছুৰ টেঙাখাত আঞ্চ
সমিতিখন নতুনকৈ গঠন কৰা হয়। লগতে পূৰ্বৰ সভাপ
অভিজিত ফুকনক মুখ্য উপদেষ্টা হিচাপে মনোনীত কৰা হ

## ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড়, ১৪ ছেপ্টেম্বৰ ঃ আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইঞ্জিনীয়াৰ দিৱস উপলক্ষে এক অনুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইঞ্জিনীয়াৰ ফ'ৰামৰ উদ্যোগত অনুষ্ঠিত বিশ্ব ইঞ্জিনীয়াৰ দিৱস উপলক্ষে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক আৰু কাৰিকৰী প্ৰতিষ্ঠানত এক আলোচনা-সত্ৰ অনুষ্ঠিত কৰা হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ আজিৰ টেক্‌নিকেল ছেশ্যনৰ আলোচনা-সত্ৰত ইমজি, কম্পিউটাৰ ছায়েন্স, ইলেক্ট্ৰীকেল, জলসম্পদকে ধৰি পাঁচটা অভিযান্ত্ৰিক বিষয় লৈ

আ
অ
সে
ড°
থা
কি
আ
অ
জে
বি